# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI

0000000000

**Date :** 17-01-2025
**Time :** 18-45 Hrs

***Assamese Evening Bulletin***

**:::::::::::::::::::::::::::::::**

১। বিজেপিৰ অসম প্ৰদেশৰ সভাপতি হিচাপে সাংসদ দিলীপ শইকীয়াৰ দায়িত্বভাৰ গ্ৰহণ।

২। গণৰাজ্য দিৱস উপলক্ষে প্ৰতিটো প্ৰান্ততে স্বচ্ছতা অভিযান আৰম্ভ কৰিবলৈ জিলা প্ৰশাসনৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশ।

৩। ৰাজ্যজুৰি ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাক স্মৰণ। গোলাঘাটত আয়োজিত শিল্পী দিৱসৰ কেন্দ্ৰীয় কাৰ্যসূচীত সংগীত শিল্পী ড° অনিমা চৌধুৰী আৰু মুকুল ৰাভাক শিল্পী বঁটা প্ৰদান।

৪। জোনবিল মেলাৰ দ্বিতীয় দিনা বিনিময় প্ৰথা সম্পন্ন। ***আৰু***

৫। ৰেলৱেৰ বিৰুদ্ধে খেলিবলগীয়া ৰঞ্জী ট্ৰফীৰ ৪ দিনীয়া মেচখনৰ বাবে ডেনিছ্ দাসৰ নেতৃত্বত অসম দল ঘোষণা।

***0000***

অসম প্ৰদেশ বিজেপিৰ পৰৱৰ্তী সভাপতি হিচাপে দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ সাংসদ তথা কেন্দ্ৰীয় বিজেপিৰ প্ৰাক্তন সাধাৰণ সম্পাদক দিলীপ শইকীয়াক নিৰ্বাচিত কৰা হৈছে। কেন্দ্ৰীয় নিৰ্বাচনী পৰ্যৱেক্ষক গজেন্দ্ৰ সিং শেখাৱটে আজি দলৰ ৰাজ্যিক সভাপতি হিচাপে তেওঁৰ নাম আনুষ্ঠানিকভাৱে ঘোষণা কৰে। গুৱাহাটীস্থিত ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয় বাজপেয়ী ভৱনত আজি আয়োজিত এটা অনুষ্ঠানত নৱ নিৰ্বাচিত সভাপতি গৰাকীক কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু দলৰ বিদায়ী ৰাজ্যিক সভাপতি ভৱেশ কলিতাকে ধৰি দলীয় নেতৃবৰ্গই অভিনন্দন জনায়।

০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি লোকসেৱা ভৱনত আয়োজিত এখন বৈঠকত গুৱাহাটী আৰু ডিব্ৰুগড়ত সমাগত গণৰাজ্য দিৱস উদযাপনৰ প্ৰস্তুতিৰ বুজ লয়। বৈঠকত মুখ্যমন্ত্ৰীয়ে ৰাজ্যৰ ৩৯ খন সমজিলাতো এইবাৰ গণৰাজ্য দিৱসৰ কাৰ্যসূচী পালন কৰাৰ বাবে নিৰ্দেশ দিয়ে। জিলা ভিত্তিত আয়োজিত কাৰ্যসূচীৰ দৰে যাতে সম জিলাকেইখনত গণৰাজ্য দিৱসত আৰক্ষীৰ পেৰেড অনুষ্ঠিত হয় তাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। ইয়াৰ বাবে প্ৰয়োজনীয় পুঁজি মোকলাই দিবলৈ সাধাৰণ প্ৰশাসন বিভাগক নিৰ্দেশ দিয়া হয়। সমাগত গণৰাজ্য দিৱস উপলক্ষে  সকলো প্ৰান্ততে স্বচ্ছতা অভিযান আৰম্ভ কৰিবলৈ মুখ্যমন্ত্ৰীয়ে জিলা প্ৰশাসনসমূহক নিৰ্দেশ দিয়ে। গণৰাজ্য দিৱসৰ প্ৰাক্ক্ষণত ২৫ জানুৱাৰীৰ আবেলি গুৱাহাটী আৰু ডিব্ৰুগড়ত অসম আৰক্ষীয়ে **ৰোডপাষ্ট** কাৰ্যসূচী গ্ৰহণ কৰিব বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই প্ৰকাশ কৰে। তেওঁ লগতে অন্যান্য জিলা

সদৰসমূহতো এনে কাৰ্যসূচী গ্ৰহণ কৰিবলৈ আহ্বান জনায়। এইবেলি গুৱাহাটীৰ খানাপাৰাৰ অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত গণৰাজ্য দিৱসৰ কাৰ্যসূচীত ৰাজ্যপালন লক্ষ্মণ প্ৰসাদ আচাৰ্যই ত্ৰিৰংগ পতাকা উত্তোলন কৰিব। ডিব্ৰুগড়ত গণৰাজ্য দিৱসৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই পতাকা উত্তোলন কৰিব।

০০০০

আজি শিল্পী দিৱস। সুন্দৰৰ পূজাৰী ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ ৭৫ সংখ্যক স্মৃতি দিৱস আজি ৰাজ্যজুৰি শিল্পী দিৱস হিচাপে পালন কৰা হৈছে। ১৯৫১ চনৰ ১৭ জানুৱাৰীত দেহাৱসান ঘটা সব্যসাচী শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই প্ৰতিবছৰে আজিৰ দিনটো শিল্পী দিৱস হিচাপে পালন কৰি অহা হৈছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি শিল্পী দিৱস উপলক্ষে ৰূপকোঁৱৰৰ সোঁৱৰণত ভালেমান কাৰ্যসূচী গ্ৰহণ কৰা হয়। অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু গোলাঘাট জিলা প্ৰশাসনৰ সহযোগত গোলাঘাটত এই দিৱসৰ কেন্দ্ৰীয় কাৰ্যসূচী অনুষ্ঠিত হয়। অনুষ্ঠানত কেইবাগৰাকীও শিল্পীলৈ বিভিন্ন বঁটা আগবঢ়োৱা হয়। আহক আমি এই সন্দৰ্ভত সবিশেষ জানিবলৈ পোনে পোনে আমাৰ গোলাঘাটৰ সংবাদদাতা হিৰণ্য গগৈৰ সৈতে সংযুক্ত হওঁ–

***(বাইট ঃ হিৰণ্য গগৈ)***

অনুষ্ঠানত চলচ্চিত্ৰ ইতিহাসবিদ পৰিচালক পাৰ্থজিৎ বৰুৱা নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে।

শিৱসাগৰ নগৰৰ যুৱদল প্ৰেক্ষাগৃহতো আজি দিনজোৰা কাৰ্যসূচীৰে শিল্পী দিৱস উদযাপন কৰা হয়। অসম সংগীত পৰিৱেশনেৰে এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। অনুষ্ঠানত বিশিষ্ট নাট্যকাৰ প্ৰশান্ত প্ৰতীম শৰ্মাই জ্যোতিপ্ৰসাদ আগৰৱালাৰ জীৱন আৰু কৃতিত্বৰ বিষয়ত আলোকপাত কৰে। শিল্পীদিৱস উপলক্ষে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত আয়োজন কৰা জ্যোতিসংগীত প্ৰতিযোগিতাত বহু সংখ্যক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে।

শোণিতপুৰ জিলাৰ তেজপুৰৰ কমলা নগৰৰ শিল্পীগৰাকীৰ সমাধিস্থলী আৰু ৰূপকোঁৱৰৰ পৈত্ৰিক গৃহ জ্যোতি ভাৰতীত আজি দিনজোৰা কাৰ্যসূচীৰে শিল্পী দিৱস পালন কৰা হয়। মাজুলীৰ বালিচাপৰি মিলিত কৃষ্টি সংঘৰ উদ্যোগত কালিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে শিল্পী দিৱস পালন কৰা হয়। অনুষ্ঠানৰ অংশ হিচাপে জ্যোতিসংগীত আৰু সৃষ্টিশীল নৃত্য প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। জিলাখনৰ কমাৰগাঁও ৰূপালী যৱসংঘৰ উদ্যোগত আজি শিল্পী দিৱস উপলক্ষে জিলা ভিত্তিক জ্যোতিসংগীত প্ৰতিযোগিতা অনুষ্ঠিত হয়।

একেদৰে, সদৌ অসম ছাত্ৰ সন্থাই হোজাই জিলা ছাত্ৰ সন্থাৰ উদ্যোগত আৰু কাকী আঞ্চলিক ছাত্ৰ সন্থাৰ সহযোগত কালিৰে পৰা দুদিনীয়াকৈ হোজাইত কেন্দ্ৰীয়ভাৱে শিল্পী দিৱস উদযাপন কৰে।

গুৱাহাটীৰ কাহিলীপাৰাৰ প্ৰাথমিক শিক্ষা সঞ্চালকালয়ৰ কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ চেণ্ট্ৰেল ব্যুৰো অব কমিউনিকেচন গুৱাহাটীৰ আঞ্চলিক কাৰ্যালয়ৰ উদ্যোগত গোপাল নগৰত দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে শিল্পীদিৱস পালন কৰা হয়।

একেদৰে **তেজপুৰ, মৰিগাঁও, গোৱালপাৰা, বৰপেটা, ধুবুৰী** জিলাৰ বিভিন্ন প্ৰান্ততো আজি শিল্পী দিৱস উপলক্ষে বিভিন্ন কাৰ্যসূচী পালন কৰা হয়।

০০০০

শিল্পী দিৱসৰ সৈতে সংগতি ৰাখি গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ ননীগোপাল মহন্তই আজি উপাচাৰ্যৰ সভাগৃহত এখন সংবাদ মেলৰ আয়োজন কৰে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্থাপত্যৰ ৰূপ নিদৰ্শনৰ সৈতে শিল্পীগৰাকী ওতঃপ্ৰোতভাৱে জড়িত থকাৰ কথা উল্লেখ কৰি উপাচাৰ্যগৰাকীয়ে কয়, যে ৰূপকোঁৱৰৰ আপুৰুগীয়া সম্পদসমূহৰ

মূল তথ্যপাতিসমূহ বিশ্ববিদ্যালয়ৰ কৃষ্ণকান্ত সন্দিকৈ গ্ৰন্থাগাৰত সংৰক্ষণৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হৈছে। এই সম্পদসমূহক ডিজিটেল মঞ্চত সংৰক্ষণ কৰি ৰূপকোঁৱৰৰ যুগমীয়া কৃৰ্তিক অধ্যয়ন আৰু গৱেষণাৰ বাবে দেশ-বিদেশৰ লোকে তথ্য লাভ কৰিব পৰাকৈ ব্যৱস্থা গ্ৰহণ কৰাৰ ক্ষেত্ৰত গুৱাহাটী বিশ্ববিদ্যালয়ে ইচ্ছা প্ৰকাশ কৰাৰ কথাও ড০ মহন্তই জানিবলৈ দিয়ে। তেওঁ কয়, যে যোগদ্ৰষ্টা শিল্পীগৰাকীৰ প্ৰতি এয়া হ'ব গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰণিপাত। বিশ্ববিদ্যালয়খনৰ যোগাযোগ আৰু সাংবাদিকতা বিভাগৰ সহকাৰী অধ্যাপিকা ড০ ভাৰতী ভৰালীৰ তত্বাৱধানত গৱেষণাৰ সময়ত লাভ কৰা মূল সম্পদসমূহৰ সংৰক্ষণত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ পৰিয়ালৰ এগৰাকী ব্যক্তিৰ লগতে তেওঁৰ পাঁচোগৰাকী কন্যাই এই ক্ষেত্ৰত সহযোগিতা আগবঢ়াব।

০০০০

মৰিগাঁও জিলাৰ জাগীৰোডৰ জোনবিলৰ পাৰত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত গোভা দেওৰজাৰ পৰম্পৰাগত জোনবিল মেলাৰ আজি দ্বিতীয় দিনা বিনিময় প্ৰথা সম্পন্ন হয়। পাহাৰৰ পৰা নামি অহা মামা-মামীসকলে ভৈয়ামৰ লোকৰ সৈতে সামগ্ৰীৰ আদান প্ৰদান কৰে। বিনিময় প্ৰথাত অংশ লবলৈ জোনবিলৰ পাৰত পাহাৰ আৰু ভৈয়ামৰ সহস্ৰাধিক লোকৰ সমাগম হয়। মৰিগাঁৱৰ বিধায়ক ৰমাকান্ত দেউৰীয়ে বিনিময় প্ৰথাৰ শুভাৰম্ভ কৰে। কাহিলী পুৱাৰে পৰা আয়োজিত বিনিময় প্ৰথাত সামগ্ৰীৰ আদান প্ৰদান কৰা হয়। জোনবিল মেলাৰ দ্বিতীয় দিনা সমুহীয়া মাছ ধৰা পৰ্বৰ লগতে কুকুৰা যুঁজ অনুষ্ঠিত হয়। জোনবিল মেলাৰ সাতামপুৰুষীয়া পৰম্পৰা ৰক্ষা কৰি আয়োজিত হোৱা কুকুৰা যুঁজ শতাধিক লোকে উপভোগ কৰে। ইপিনে, জোনবিলত সমুহীয়াকৈ মাছ ধৰা পৰম্পৰা অনুষ্ঠিত হয়।

০০০০

ৰাজ্যৰ ১৪ খন জিলাৰ ১৫ হাজাৰ ৬৬৩ খন বিদ্যালয়ত আজিৰে পৰা দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱ অনুষ্ঠিত হৈছে। দ্বিতীয় পৰ্যায়ত ১৪ লাখ ১৪ হাজাৰ ৯৩২ গৰাকী ছাত্ৰ-ছাত্ৰীক সামৰি লোৱা হৈছে। গুণোৎসৱৰ আজি স্ব-মূল্যায়ন অনুষ্ঠিত হয়। ২০ জানুৱাৰীত মন্ত্ৰী, সাংসদ, বিধায়ক, মুখ্য কাৰ্যবাহী বিষয়া, কাৰ্যবাহী সদস্যৰ লগতে ৰাজ্য চৰকাৰৰ প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ বিষয়ৰ দ্বাৰা বহিঃমূল্যায়ন কৰা হ'ব। উল্লেখযোগ্য যে, দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱ বাক্সা, চৰাইদেউ, চিৰাং, ধেমাজী, ধুবুৰী, গোলাঘাট, হাইলাকান্দি, হোজাই, যোৰহাট, কামৰূপ মহানগৰ, শোণিতপুৰ, তামুলপুৰ, তিনিচুকীয়া আৰু পশ্চিম কাৰ্বি আংলং জিলাত অনুষ্ঠিত হৈছে। ইপিনে, এইবাৰৰ গুণোৎসৱত শিক্ষাৰ্থীৰ ইউনিফৰ্মৰ বিষয়ত গুৰুত্ব আৰোপ কৰা হ'ব বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে জানিবলৈ দিয়ে। শিক্ষামন্ত্ৰীগৰাকীয়ে কয়, যে গুণোৎসৱত ইউনিফৰ্মৰ মূল্যাংকন কৰা হ'ব। শিক্ষকৰ বদলিকৰণ সন্দৰ্ভতো তেওঁ মন্তব্য কৰে। তেওঁ কয়, যে দ্বিতীয় পৰ্যায়ৰ শিক্ষকৰ বদলিকৰণ গ্ৰীষ্মবন্ধৰ পূৰ্বে কৰা হ'ব। ইয়াৰ বাবে দুই এদিনৰ ভিতৰত পোৰ্টেল মুকলি কৰা হ'ব বুলি শিক্ষামন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। প্ৰথম পৰ্যায়ত পোৰ্টেলৰ জৰিয়তে আবেদন কৰা ৩৬ হাজাৰ শিক্ষকৰ বদলি প্ৰক্ৰিয়া সম্পন্ন হৈছে।

০০০০

গুৱাহাটীত অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত হ'বলগীয়া এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ বাবে প্ৰস্তুতি অব্যাহত আছে। এই বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলনৰ অংশ হিচাপে **বিকশিত অসম, বিকশিত ভাৰত** এখন বিশেষ প্ৰদৰ্শনীৰো আয়োজন কৰা হৈছে। ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী কেশৱ মহন্তৰ অধ্যক্ষতাত আজি

জনতাভৱনত এই প্ৰদৰ্শনীৰ উপ-সমিতিৰ এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত প্ৰদৰ্শনীৰ প্ৰস্তুতিপৰ্বৰ সৈতে জড়িত বিভিন্ন দিশসমূহ বিতংভাৱে আলোচনা কৰা হয়। বৈঠকত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ প্ৰধান সচিবকে ধৰি বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়াসকলে অংশগ্ৰহণ কৰে।

০০০০

নগাঁৱৰ ডচন উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ নৱ নিৰ্মিত মুকলি মঞ্চৰ শুভাৰম্ভণী উপলক্ষে আজি বিদ্যালয়ৰ চৌহদত এখন মুকলি সভা অনুষ্ঠিত হয়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ ননী গোপাল মহন্তই বিদ্যালয়খনৰ প্ৰাক্তন অধ্যক্ষ ধৰ্মকান্ত মহন্ত সোঁৱৰণী মুকলি মঞ্চৰ উদ্বোধন কৰে। ড০ মহন্তই সভাত ভাষণ প্ৰসংগত সমাজৰ বিৱৰ্তনত প্ৰভাৱ পেলোৱা বিভিন্ন কাৰকসমূহৰ বিষয়ে উল্লেখ কৰে। তেওঁ লগতে আধুনিক প্ৰযুক্তিসমূহৰ কথা উল্লেখ কৰি কৃত্ৰিম বুদ্ধিমত্তাৰ নেতিবাচক দিশতো আলোকপাত কৰে।

০০০০

তামুলপুৰ জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ উদ্যোগত আজিৰে পৰা জিলা আয়ুক্তৰ কাৰ্যালয়ত Incident response system সন্দৰ্ভত প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হৈছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ সহযোগত দুদিনীয়াকৈ অনুষ্ঠিত এই প্ৰশিক্ষণ কাৰ্যসূচীত বিভিন্ন দুৰ্যোগৰ পৰা জীৱন আৰু সম্পত্তিৰ নিৰাপত্তাৰ ক্ষেত্ৰত সজাগতা আৰু প্ৰয়োজনীয় ব্যৱস্থা সম্পৰ্কে বিতংভাৱে আলোচনা কৰা হয়। জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তীয়ে মুকলি কৰা এই কাৰ্যসূচীত অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ বিষয়া নৱ ডেকা, ধনজিৎ গগৈ আৰু অনন্ত সুমাতাই সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে। কাইলৈ হ'বলগীয়া কাৰ্যসূচীত দুৰ্যোগ সম্পৰ্কীয় আখৰা কৰা হ'ব।

০০০০

সমগ্ৰ ৰাজ্যৰ লগতে মাজুলী জিলাত আজিৰে পৰা বিশেষ টীকাকৰণ অভিযান অনুষ্ঠিত হৈছে। জিলাখনত টীকাকৰণৰ পৰা বাদ পৰি ৰোৱা ২১৮ টা শিশুক লৈ এই বিশেষ টীকাকৰণ কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। জিলাখনৰ ৪৪ টা উপ স্বাস্থ্যকেন্দ্ৰ আৰু ৩৬ টা টীকাকৰণ কেন্দ্ৰৰ লগতে চৰ অঞ্চলৰ বাবে নৌকা স্বাস্থ্য সেৱা সাজু কৰি তোলা হৈছে। আজিৰ পৰা ২৫ জানুৱাৰীলৈ এই টীকাকৰণ কাৰ্যসূচী অনুষ্ঠিত হ'ব।

০০০০

শ্ৰীভূমি জিলাৰ নিলাম বজাৰ মহাবিদ্যালয়ৰ সমীপত সংঘটিত  এটা পথ দুৰ্ঘটনাত এজন লোক নিহত হোৱাৰ লগতে আন ৫ জন লোক গুৰুতৰভাৱে আহত হৈছে। এখন অটো আৰু বাছৰ মাজত সংঘৰ্ষ হোৱাত কমল উদ্দিন নামৰ লোকজন নিহত হয়। আহতসকলক শিলচৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰোৱা হৈছে।

০০০০

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি দিশপুৰত নিখিল  বড়ো ছাত্ৰ সন্থা আৰু বড়ো সাহিত্য সভাৰ প্ৰতিনিধিৰ সৈতে বিটিআৰ আৰু বিটিআৰৰ বাহিৰৰ বড়ো মাধ্যমৰ বিদ্যালয়সমূহৰ শৈক্ষিক দিশৰ বিষয়ে আলোচনা কৰে। বড়ো মাধ্যমৰ বাবে বিশেষ টেট পৰীক্ষা অনুষ্ঠিত কৰা আৰু হাইস্কুলসমূহক উচ্চতৰ মাধ্যমিকলৈ উন্নীত কৰা সন্দৰ্ভত বৈঠকত আলোচনা কৰা হয়। বিদ্যালয় আৰু মহাবিদ্যালয়ৰ প্ৰাদেশিকীকৰণ, বড়ো মাধ্যমৰ শিক্ষক নিযুক্তি আৰু বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ ওদালগুৰি চৌহদ স্থাপন কৰা বিষয়কেইটাও বৈঠকত প্ৰাধান্য লাভ কৰে।

শিক্ষামন্ত্ৰীগৰাকীয়ে দুয়োটা সংগঠনৰ প্ৰতিনিধিৰ সৈতে চাহ বাগিছা আদৰ্শ বিদ্যালয়ৰ আৰ্হিত বিটিআৰত নতুন বড়ো মাধ্যমৰ আদৰ্শ বিদ্যালয় স্থাপন কৰা বিষয়টোও আলোচনা কৰে। আলোচনা কৰা বিষয়সমূহৰ কাৰ্যকৰীকৰণৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰ দায়বদ্ধ বুলি শিক্ষামন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে প্ৰকাশ কৰে।

০০০০

গোলাঘাট জিলাৰ মেৰাপানীৰ ফৰেষ্ট ব্লকত আজি আৰক্ষী আৰু চি আৰ পি এফে অভিযান চলাই এজন লোকৰ বাসগৃহৰ পৰা প্ৰায় ১৬ হাজাৰ নিচাযুক্ত টেবলেট জব্দ কৰিছে। জব্দকৃত নিচাযুক্ত সামগ্ৰীখিনিৰ বজাৰ মূল্য ৫ লাখ টকাৰো অধিক হ'ব বুলি আৰক্ষী সূত্ৰই প্ৰকাশ কৰিছে। নিচাযুক্ত সামগ্ৰীখিনি লুকুৱাই ৰখা চামাদ আলী নামৰ ব্যৱসায়ীজনক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে।

০০০০

ৰেলৱেৰ বিৰুদ্ধে অহা ২৩ জানুৱাৰীৰ পৰা গুৱাহাটীত হবলগীয়া ৰঞ্জী ট্ৰফী ঘৰুৱা ক্ৰিকেটৰ ৪ দিনীয়া খেলখনৰ বাবে অসম দলটো আজি ঘোষণা কৰা হয়। ঘোষিত দলটোৰ নেতৃত্বৰ দায়িত্ব ডেনিছ দাসক অৰ্পন কৰা হৈছে। ১৫ জনীয়া দলটোৰ উপ অধিনায়ক হৈছে মুখতাৰ হুছেইন। অসম ক্ৰিকেট সন্থাই ঘোষণা কৰা দলটোত মৃন্ময় দত্ত, ৰাহুল সিং, দীপজ্যোতি শইকীয়া, স্বৰূপম পুৰকায়স্থ, পাৰভেজ মুছাৰক, সুমিত ঘাদিগাওঁকাৰ, ঋষভ দাস, অনুৰাগ তালুকদাৰ, ৰোহিত সিং, শিৱশংকৰ ৰয়, আকাশ সেনগুপ্ত, প্ৰদ্যুম্ন শইকীয়া আৰু কুনাল শৰ্মাই স্থান লাভ কৰিছে।

০০০০

ইণ্ডিয়ান চুপাৰ লীগৰ কাইলৈ কোচিৰ জৱাহৰলাল নেহৰু ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত নৰ্থ ইষ্ট ইউনাইটেড এফ চি কেৰালা ব্লাষ্টাৰ্ছৰ মুখামুখি হ'ব। শেহতীয়া ৩ খন খেলত দ্ৰ' খেলা নৰ্থ ইউনাইটেডৰ বাবে কাইলৈৰ মেচখন গুৰুত্বপূৰ্ণৰূপে বিবেচিত হৈছে। ২৪ পইণ্টেৰে তালিকাৰ পঞ্চম স্থানত থকা নৰ্থ ইষ্ট ইউনাইটেডে ইয়াৰ বাবে গুৱাহাটীত কেৰালা ব্লাষ্টাৰ্ছৰ বিৰুদ্ধে দ্ৰ' খেলিছিল।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰই প্ৰতিদিনে পুৱা ৭ বাজি ৫৫ মিনিট আৰু সন্ধিয়া ৬ বজাত প্ৰচাৰ কৰি অহা বাতৰিত **উজনিৰ বাতৰি** বুলি নামকৰণ কৰাৰ বাবে কিছুসংখ্যক শ্ৰোতাই আপত্তি দৰ্শোৱা বাতৰি বিভাগৰ দৃষ্টিগোচৰ হৈছে। এই ক্ষেত্ৰত বাতৰি বিভাগে স্পষ্ট কৰিব বিচাৰে যে, ৰাজ্যখনক উজনি আৰু নামনি নামেৰে বিভাজন কৰাৰ কোনো উদ্দেশ্য বাতৰি বিভাগৰ নাই। আকাশবাণীৰ সঞ্চালকালয়ৰ নিৰ্দেশমৰ্মে পূৰ্বে আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ পৰা প্ৰচাৰিত বাতৰি বুলেটিন বৰ্তমান গুৱাহাটী কেন্দ্ৰৰ পৰা প্ৰচাৰ কৰা হৈছে। সেয়েহে এই বাতৰিক **উজনিৰ বাতৰি**ৰূপে নামকৰণ কৰা হৈছিল। তৎসত্ত্বেও শ্ৰোতাসকলৰ অনুভূতিৰ প্ৰতি শ্ৰদ্ধা জনাই এতিয়াৰে পৰা এই দুয়োখন বাতৰি বুলেটিনক **উজনি অসমৰ বাতৰি**ৰূপে নামকৰণ কৰা হৈছে। এই বাতৰি বুলেটিনকো অসমৰ সকলো শ্ৰোতাই আদৰি ল'ব বুলি আশা কৰা হৈছে।

০০০০

সমাপ্ত